# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 20-08-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। ভাৰত আৰু ছিংগাপুৰৰ মন্ত্ৰী পৰ্যায়ৰ চতুৰ্থ বাৰ্ষিক ঘূৰণীয়া মেজমেল আজি ছিংগাপুৰত অনুষ্ঠিত হ'ব।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আজি নতুন দিল্লীত জাপানৰ প্ৰতিৰক্ষা মন্ত্ৰী শ্বিনজিৰ' কৈজুমীৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

৩। চীনে অৰুণাচল প্ৰদেশৰ ৬০ কিলোমিটাৰ ভিতৰলৈ প্ৰৱেশ কৰিছে বুলি কৰা দাবী কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৱে ভুৱা বুলি প্ৰকাশ কৰিছে।

৪। বাংলাদেশত আজি ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

*আৰু*

৫। আমষ্টেলভিনৰ ৱেগানাৰ ষ্টেডিয়ামত এফ আই এইচ বিশ্বকাপ হকীৰ পুল-ডিৰ ফাইনেলত আজি ভাৰতীয় মহিলা দল ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ভাৰত আৰু ছিংগাপুৰৰ মন্ত্ৰী পৰ্যায়ৰ চতুৰ্থ বাৰ্ষিক ঘূৰণীয়া মেজমেল আজি ছিংগাপুৰত অনুষ্ঠিত হ'ব। এই বৈঠকত অংশ লোৱাৰ বাবে ভাৰতৰ পৰা বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ, বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেল আৰু বাণিজ্য, উদ্যোগ, বৈদ্যুতিক আৰু তথ্যপ্ৰযুক্তি দপ্তৰৰ ৰাজ্যমন্ত্ৰী জিতিন প্ৰসাদ দেশখনত উপস্থিত হৈছে। এই মেজমেল বিভিন্ন ন-ন ক্ষেত্ৰত পাৰস্পৰিক সহযোগিতা বৃদ্ধিৰ গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে পৰিগণিত হৈছে। ২০২২ চনৰ ছেপ্তেম্বৰত নতুন দিল্লীত প্ৰথমবাৰৰ বাবে দুয়োখন দেশৰ মাজত ঘূৰণীয়া মেজমেল অনুষ্ঠিত হৈছিল। ২০২৪ চনৰ আগষ্টত ছিংগাপুৰত আৰু ২০২৫ চনত নতুন দিল্লীত এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছিল। যোৱা তিনিটা সংস্কৰণত এই মেজমেলত দুয়োখন দেশৰ আন্তঃগাঁথনি, যোগাযোগ, স্বাস্থ্য আৰু ঔষধ, বহনক্ষম উন্নয়ন, দক্ষতা বিকাশ আদি বিষয়ত কৌশলগত অংশীদাৰিত্বৰ বিষয়ে আলোচনা কৰা হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ তৰফৰ পৰা প্ৰকাশ কৰা মতে এই চতুৰ্থ বাৰ্ষিক মেজমেলত ইতিমধ্যে আলোচনা হোৱা বিষয়বোৰত লাভ কৰা সফলতা আৰু অন্যান্য দিশৰ ওপৰত পৰ্যালোচনা কৰা হ'ব। এই পদক্ষেপে দুয়োখন দেশৰ মাজৰ সম্পৰ্ক আৰু অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে এই মেজমেলৰ সমান্তৰালভাৱে চতুৰ্থ সংখ্যক ভাৰত-ছিংগাপুৰ বাণিজ্যিক ঘূৰণীয়া মেজমলো অনুষ্ঠিত হ'ব, য'ত দুয়োখন দেশৰ শীৰ্ষ পৰ্যায়ৰ বাণিজ্যিক নেতাসকলে অংশগ্ৰহণ কৰিব। কালি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ জয়শংকৰে ছিংগাপুৰৰ বিদেশ মন্ত্ৰী ভিভিয়ান বালাকৃষ্ণনক সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সৰ্বাত্মক কৌশলগত অংশীদাৰিত্ব শক্তিশালী কৰাৰ সন্দৰ্ভত আলোচনাত মিলিত হয়। ড০ জয়শংকৰে শ্ৰীবালাকৃষ্ণনৰ সৈতে ছিংগাপুৰৰ ভাৰতীয় উচ্চায়ুক্ত কাৰ্যালয় চৌহদত দূতাবাস সম্পৰ্কীয় কাৰ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। এই কাৰ্যালয়ে

ভাৰত-ছিংগাপুৰৰ কৌশলগত অংশীদাৰিত্বৰ নতুন দিশ উন্মোচন কৰাৰ লগতে ছিংগাপুৰত থকা ভাৰতীয় লোকসকলক বিভিন্ন সেৱা প্ৰদানৰ ব্যৱস্থা শক্তিশালী কৰি তুলিব বুলি মন্ত্ৰী জয়শংকৰে আশা প্ৰকাশ কৰে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আজি নতুন দিল্লীত জাপানৰ প্ৰতিৰক্ষা মন্ত্ৰী শ্বিনজিৰ' কৈজুমীৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। এই বৈঠক দুয়ো দেশৰ মাজত প্ৰতিৰক্ষাজনিত সম্পৰ্ক শক্তিশালী কৰাৰ লগতে কৌশলগত আস্থা তথা সহযোগিতা বৃদ্ধি কৰিব আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত সুস্থিৰতা আৰু সুৰক্ষা অক্ষুণ্ণ ৰখাৰ পোষকতা কৰিব বুলি আশা কৰা হৈছে। দুয়োগৰাকী নেতাই মেক ইন ইণ্ডিয়া পৰিকাঠামোৰ অধীনত প্ৰতিৰক্ষা সম্পৰ্কীয় সঁজুলি আৰু প্ৰযুক্তিৰ আদান-প্ৰদান ব্যৱস্থা শক্তিশালী কৰাৰ লগতে সামুদ্ৰিক সহযোগিতা বৃদ্ধিৰ বিষয়ত মত বিনিময় কৰিব। প্ৰথমবাৰৰ বাবে ভাৰতত উপস্থিত হৈ শ্বিনজিৰ' কৈজুমীয়ে কালি মুম্বাইৰ ৱেষ্টাৰ্ন নেভেল কামাণ্ড পৰিদৰ্শন কৰে। তেওঁ নৌসেনা বাহিনীৰ মুৰব্বী এডমিৰেল কৃষ্ণা স্বামীনাথন আৰু ফ্লেগ অফিচাৰ, কামাণ্ডিং ইন চীফ ৱেষ্টাৰ্ন নেভেল কামাণ্ড ভাইচ এডমিৰেল সঞ্জয় বাৎসায়নক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মন্ত্ৰীগৰাকীক ভাৰতীয় নৌসেনাৰ দায়িত্ব আৰু পৰিচালনাৰ সামৰ্থ সন্দৰ্ভত অৱগত কৰা হয়। উল্লেখযোগ্য যে ভাৰত আৰু জাপানে ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ বাবে উমৈহতীয়া মুকলি আৰু স্থিতিস্থাপকক লক্ষ্য আৰু উদ্দেশ্য বিনিময়েৰে কাম কৰিছে। জাপানৰ বিদেশ মন্ত্ৰীগৰাকীৰ দুদিনীয়া ভাৰত ভ্ৰমণ দেশ দুখনৰ মাজত দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতা আৰু অংশীদাৰিত্ব শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৱে চীনে অৰুণাচল প্ৰদেশৰ ৬০ কিলোমিটাৰ ভিতৰলৈ প্ৰৱেশ কৰিছে বুলি কৰা দাবী ভুৱা বুলি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীৰিজিজুৱে কয়, যে বাংলাদেশৰ পৰা প্ৰচাৰিত আলোকচিত্ৰ আৰু ভিডিঅ'ৰ সহায়ত অৰুণাচল প্ৰদেশত চীনৰ প্ৰৱেশৰ ভুৱা চিত্ৰণ কৰা হৈছে। তেওঁ কয়, যে এনে মিছা বাতৰিয়ে সীমান্ত অঞ্চলত পহৰা দিয়া সৈনিকসকলৰ মনোবল হ্ৰাস কৰাৰ লগতে বিভ্ৰান্তি সৃষ্টি কৰিব পাৰে। ভাৰত-চীন সীমান্ত বিষয়টো অতি গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এনে স্পৰ্শকাতৰ বিষয়ত ভুৱা আৰু প্ৰমাণবিহীন দাবী নকৰিবলৈ দাবী জনায়।

**বাইট (কিৰেন ৰিজিজু)**

০০০০০

গৃহমন্ত্ৰী অমিত শ্বাহে আজি তামিলনাডুৰ মহাবলীপুৰমত দক্ষিণ মাণ্ডলিক পৰিষদৰ বৈঠকত সভাপতিত্ব কৰিব। অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক, কেৰালা, তামিলনাডু আৰু তেলেংগানাৰ লগতে কেন্দ্ৰীয়শাসিত অঞ্চল পুডুচেৰী, আন্দামান নিকোবৰ আৰু লাক্ষাদ্বীপক লৈ পৰিষদ গঠিত হৈছে। বৈঠকত দক্ষিণ অঞ্চলৰ সদস্য ৰাষ্ট্ৰ আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ উপ-ৰাজ্যপাল, মুখ্যমন্ত্ৰী, প্ৰশাসকসকলৰ লগতে প্ৰতিখন ৰাজ্যৰ দুগৰাকীকৈ জ্যেষ্ঠ মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। গৃহ মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে মাণ্ডলিক পৰিষদৰ বাবে মুখ্য সচিব পৰ্যায়ৰ এখন স্থায়ী সমিতি আছে। ৰাজ্যসমূহে প্ৰস্তাৱ দিয়া বিষয়সমূহ এই সমিতিৰ আগত উত্থাপন কৰা হ'ব আৰু পাছত মাণ্ডলিক পৰিষদৰ বৈঠকত আলোচনাৰ বাবে গ্ৰহণ কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সহযোগিতামূলক যুক্তৰাষ্ট্ৰবাদৰ ভিত্তিত টীম ভাৰতৰ দৃষ্টিভংগী গ্ৰহণ কৰিছে আৰু এই পৰিষদৰ বৈঠকে এইক্ষেত্ৰত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিব।

০০০০০

বাংলাদেশত আজি ৰাষ্ট্ৰপতি নিৰ্বাচন অনুষ্ঠিত হ'ব। সাংসদসকলে শাসনাধিষ্ঠিত বি এন পিৰ প্ৰভাৱশালী নেতা মিৰ্জা ফখৰুল ইছলাম আলমগীৰ আৰু ১১টা বিৰোধী দলৰ সমৰ্থিত প্ৰাৰ্থী কৰ্নেল অলি আহমেদৰ যিকোনো এজনক প্ৰাৰ্থী নিৰ্বাচন কৰিব। দেশখনত ৩৫ বছৰৰ মূৰত ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। আজি বিয়লি ২ বজাৰ ৫ বজালৈ বাংলাদেশৰ জাতীয় সংসদত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ৭৮ বছৰীয়া আলমগীৰ শাসনাধিষ্ঠিত বাংলাদেশ নেচনেলিষ্ট পাৰ্টিৰ প্ৰাৰ্থী হোৱাৰ বিপৰীতে কৰ্নেল অলি আহমেদ জামাত-ই-ইছলামী নেতৃত্বাধীন ১১টা মিত্ৰ দলৰ সমৰ্থিত প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিছে।

ooooo

প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিঙে দুদিনীয়া আৰ্মেনিয়া ভ্ৰমণৰ সামৰণি মাৰিছে। এই ভ্ৰমণকালত শ্ৰীসিঙে আৰ্মেনিয়াৰ উপ-প্ৰতিৰক্ষা মন্ত্ৰী কাৰেন ব্ৰিটিয়ান, প্ৰথম উপ-প্ৰতিৰক্ষা মন্ত্ৰী আৰু সশস্ত্ৰ বাহিনীৰ মুৰব্বী এডৱাৰ্ড আছ্ৰিয়ানৰ সৈতে বৈঠকত মিলিত হয়। প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে এই আলোচনাকালত প্ৰতিৰক্ষা তথা সামৰিক কাৰিকৰী সহযোগিতা আৰু সামৰ্থ বৰ্ধন, প্ৰশিক্ষণ, প্ৰতিৰক্ষা, গৱেষণা আৰু উন্নয়ন আদি বিষয়সমূহক স্থান দিয়া হয়। তদুপৰি ভাৰত আৰু আৰ্মেনিয়াৰ সশস্ত্ৰ বাহিনীসমূহৰ যৌথ প্ৰতিষ্ঠানিক আলোচনা চৰ্তাৱলীৰ সন্দৰ্ভতো দুয়ো পক্ষই মত বিনিময় কৰে। ভ্ৰমণকালত প্ৰতিৰক্ষা সচিবগৰাকীয়ে আৰ্মেনিয়াৰ অত্যাধুনিক প্ৰযুক্তি বিভাগৰ মন্ত্ৰী ডেভিদ ট্ৰেডভ'ছিয়ানক সাক্ষাৎ কৰি প্ৰতিৰক্ষা, গৱেষণা আৰু উন্নয়ন সন্দৰ্ভত মত বিনিময় কৰে। এই সাক্ষাৎকালত দুয়ো দেশৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ মাজত সহযোগিতা বৃদ্ধি আৰু যুটীয়া কাৰ্যকলাপৰ বাবে বুজাবুজিৰ চুক্তিও স্বাক্ষৰিত হয়। প্ৰতিৰক্ষা সচিবগৰাকীয়ে আৰ্মেনিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী চাৰেন পাপিকিয়ান আৰু বিদেশমন্ত্ৰী নাটচাকান ছাফাৰিয়ানকো সাক্ষাৎ কৰি বৈঠকত মিলিত হয়।

ooooo

শিক্ষা মন্ত্ৰালয়ে জনাইছে যে যুৱ সংগমৰ সপ্তম পৰ্যায়ৰ বাবে অনলাইন পঞ্জীয়নৰ অন্তিম দিন এই মাহৰ ৩১ তাৰিখলৈ বৃদ্ধি কৰা হৈছে। মন্ত্ৰালয়ে কয়, যে পঞ্জীয়নৰ সময়সীমা বৃদ্ধি কৰাৰ ফলত সমগ্ৰ দেশৰ পৰা অহা যোগ্য যুৱক-যুৱতীসকলে এই অনন্য যুৱ বিনিময় কাৰ্যসূচীত অংশগ্ৰহণৰ অতিৰিক্ত সুযোগ লাভ কৰিব। ইয়াৰ পূৰ্বে যুৱ সংগমৰ সপ্তম পৰ্যায়ত অংশগ্ৰহণৰ বাবে পঞ্জীয়নৰ অন্তিম দিন ১৮ আগষ্ট ধাৰ্য কৰা হৈছিল।

যুৱ সংগমৰ সপ্তম পৰ্যায়ৰ বাবে আই আই টি, আই আই এন, কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু এন আই টিকে ধৰি ২০ খন উচ্চশিক্ষা প্ৰতিষ্ঠানক বিনিময় কাৰ্যসূচী আয়োজনৰ বাবে ন'ডেল প্ৰতিষ্ঠান হিচাপে চিনাক্ত কৰা হৈছে। নিৰ্বাচিত অংশগ্ৰহণকাৰীসকলে এই কাৰ্যসূচীৰ অংশ হিচাপে সংযুক্ত ৰাজ্য, কেন্দ্ৰীয়শাসিত অঞ্চললৈ ৫ৰ পৰা ৭ দিনীয়া শিক্ষামূলক আৰু সাংস্কৃতিক ভ্ৰমণ কৰিব। বিনিময় কাৰ্যসূচীৰ সময়ত তেওঁলোকে স্থানীয় পৰম্পৰা, শিক্ষানুষ্ঠান, প্ৰশাসনিক পদক্ষেপ, ঐতিহ্যক্ষেত্ৰ আৰু সামাজিক জীৱনৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত হোৱাৰ সুযোগ লাভ কৰিব।

ooooo

আমষ্টেলভিনৰ ৱেগানাৰ ষ্টেডিয়ামত এফ আই এইচ বিশ্বকাপ হকীৰ পুল-ডিৰ ফাইনেলত আজি ভাৰতীয় মহিলা দল ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৬ বজাত আৰম্ভ হ'ব। এই খেলত জয়ী বা ড্ৰ' হ'লে ভাৰতে পুলৰ শীৰ্ষস্থান দখল কৰি পৰৱৰ্তী ৰাউণ্ডৰ বাবে যোগ্যতা অৰ্জন কৰাটো

নিশ্চিত হ'ব। ইতিমধ্যে মঙলবাৰে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ৬-১ অভিলেখকাৰী গ'লৰ ব্যৱধানত জয়লাভ কৰি ভাৰতীয় দলৰ আত্মবিশ্বাস বৃদ্ধি পাইছে। এই জয়েৰে ভাৰতীয় দলটোৱে ১৯৭৪ চনৰ বিশ্বকাপৰ উদ্বোধনী সংস্কৰণত স্পেইনৰ বিৰুদ্ধে ৪-১ গ'লৰ ব্যৱধানত লাভ কৰা জয়ৰ অভিলেখ ভংগ কৰে। এই জয়ৰ ফলত ভাৰতে দুখন খেলত ৪ পইণ্টকৈ লাভ কৰি পুল-ডিত শীৰ্ষস্থান দখল কৰে। ইপিনে চীনৰ বিৰুদ্ধে ৪-২ গ'লৰ ব্যৱধানত পৰাস্ত হোৱাৰ পাছত ইংলেণ্ডে আজি নিজৰ স্থিতি অক্ষুণ্ণ ৰাখিবলৈ হ'লে নিজৰ খেলত জয়ী হ'ব লাগিব। ইপিনে ভাৰতীয় পুৰুষ হকী দলটো কালি গ্ৰুপৰ অন্তিমখন খেলত পাকিস্তানক ৫-৩ গ'লৰ ব্যৱধানত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিছে।

ooooo

সমাপ্ত